# আপুনি জানেনে? আহকচোন জানো
# কানৈ মহাবিদ্যালয়ৰ সেউজ আৰু স্বচ্ছতা বিপ্লৱৰ কথা

৭৭ বছৰীয়া সোণালী ইতিহাসেৰে সমৃদ্ধ ডি এইচ এছ কানৈ মহাবিদ্যালয়ে সম্প্ৰতি 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ', 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়' নামেৰে সুনাম আৰ্জিছে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰত স্বচ্ছতাৰ দ্বিতীয় 'ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ-২০১৭', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০২০ আৰু ২০২২ বৰ্ষত দুবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান, ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ চনত 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা ২০২২ চনত 'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান প্ৰদান, গুণগত উচ্চমানৰ শিক্ষা প্ৰদান কৰাৰ ISO-9001 : 2015 প্ৰমাণ পত্ৰ লাভ কৰিছে। মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক, প্ৰযুক্তিৰ উত্তৰণ আৰু সেউজ পৰিবেশ সুৰক্ষাৰ বাবে ডিব্ৰুগড় জিলা প্ৰশাসনে ৫১ বছৰৰ পিছত ডিব্ৰুগড় জিলা দিৱস ২০২২ চনৰ ২ অক্টোবৰত পালন কৰে। প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰা ডিব্ৰুগড় জিলা দিৱসত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়া, বিধায়ক প্ৰশান্ত ফুকনকে ধৰি জিলাখনৰ গন্যমান্য ব্যক্তি আৰু বিষয়াবৰ্গৰ উপস্থিতিত উপায়ুক্ত বিশ্বজিৎ পেগুৱে সম্বৰ্ধনা জনায়। মহাবিদ্যালয়ৰ বিজুলীৰ খৰচ ৰাহি কৰিবৰ বাবে 'গ্ৰীণ এনাৰ্জী'ৰ অংশ হিচাপে ৪০ কিল'ৱাটৰ সৌৰশক্তি চালিত বিজুলীৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি অতিৰিক্তকৈ মহাবিদ্যালয়ৰ সন্মুখত ৬০০ ৱাটৰ সৌৰশক্তি চালিত বিজুলী বাটিৰ ব্যৱস্থা কৰা হৈছে। পৰ্যায় ক্ৰমে মহাবিদ্যালয়খনৰ এশ শতাংশ 'গ্ৰীণ এনাৰ্জী'ৰ ব্যৱস্থা কৰাৰ দিশে কাম কৰি থকা হৈছে।

কানৈ মহাবিদ্যালয় এনে এখন মহাবিদ্যালয়, যিখন মহাবিদ্যালয়ত পুৱা পাঁচ বজাৰ পৰাই প্ৰকৃতিয়ে প্ৰাণ পাই উঠে। ছাত্ৰাবাস, ছাত্ৰীনিৱাসৰ আৱাসীসকলে পুৱা পাঁচ বজাৰ লগে লগে হাতে হাতে ঝাড়ু লৈ চৌহদ পৰিস্কাৰ কৰা এখন মহাবিদ্যালয়, যি পৰিবেশ সমগ্ৰ অসমত দেখা পোৱা যায় নে নাই সেয়া থাওকতে ক'ব নোৱাৰি। এন চি চিৰ উদ্যোগতো চলে নিয়মীয়াকৈ পৰিবেশ নিকাকৰণৰ কাৰ্যসূচী। ২০১৫ চনৰ জুন মাহৰ পৰাই ডি এইচ এচ কানৈ মহাবিদ্যালয়ত শুভাৰম্ভ হয় সেউজ পৰিবেশ আৰু স্বচ্ছতাৰ এক নিৰৱ বিপ্লৱ। ২০১৫ চনৰ জুন মাহত কানৈ মহাবিদ্যালয়ত গ্ৰীণ ক্লাৱ নামৰ এক সংগঠন গঢ়ি তোলা হয়। মহাবিদালয়খনৰ চৌহদ সেউজীয়াকৰণ কৰা আৰু স্বচ্ছতাৰ দিশটোক শক্তিশালী কৰি তুলিবলৈ কানৈ মহাবিদ্যালয়ে আপ্ৰাণ প্ৰচেষ্টা চলাইআহিছে। ২০১৫ চনৰ পৰা ২০২২ চনলৈ ধাৰাবাহিকভাবে মহাবিদ্যালয়ৰ স্বচ্ছতাৰ লগতে পৰিবেশ সেউজীয়াকৰণৰ দিশটোক এনেদৰে সু-সংগঠিত ৰূপত আগুৱাই নিয়া হৈছে, যাৰ ফলত কানৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজত চাফ-চিকুণ, পৰিস্কাৰ-পৰিচ্ছন্নতা আদি মনোভাব শিপাবলৈ ধৰিছে।

মহাবিদালয়খনৰ বাবে এতিয়া গ্ৰীণ ক্লাৱ হ'ল সঞ্জীৱনী শক্তি। গ্ৰীণ ক্লাৱৰ মূল উদ্দেশ্য হ'ল — মহাবিদ্যালয়খনৰ চৌহদকে ধৰি মহাবিদ্যালয়খনৰ সকলো প্ৰসাৱগাৰ চাফ-চিকুণ কৰা, সকলোফালে পৰিস্কাৰ পৰিচ্ছন্নতা বৰ্তাই ৰখা, মহাবিদ্যালয় চৌহদ গ্ৰীণ ক্লাৱৰ দ্বাৰা পৰিচালনা কৰা, মহাবিদ্যালয় চৌহদত না না প্ৰজাতিৰ গছ-গছনি ৰোপন কৰি প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষা কৰা, মহাবিদ্যালয় চৌহদত তামোলকে ধৰি কিচিম কিচিম ফল-মূল ৰোপন কৰি চৌহদ ফল-মূলৰ গছ-গছনিৰে জীপাল কৰা, চৌহদত হৰেক প্ৰজাতিৰ ফুল, লতিকা ৰোপন কৰি সৌন্দৰ্য বৰ্দ্ধন কৰা, মহাবিদ্যালয় চৌহদত সেউজ মূল্যায়ণ কৰি চৌহদৰ পৰিবেশ প্ৰদূষিত হোৱাৰ পৰা ৰক্ষা কৰা, চৌহদৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে গছ-গছনিৰ দাল সুন্দৰকৈ কাটি শৃংখলিত ৰূপত সজাই তোলা, চৌহদৰ প্ৰতিজন অতিথিক সেউজ পৰিবেশ সম্পৰ্কে জ্ঞান আৰু শিক্ষা দিয়া, প্ৰকৃতি বিষয়ক বক্তৃতা, আলোচনা চক্ৰ আয়োজন কৰা ইত্যাদি ইত্যাদি। বিশেষকৈ গ্ৰীণ ক্লাৱৰ সদস্যসকলে অন্যান্য কামৰ লগতে শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ প্ৰসাৱগাৰ নিয়মীয়াকৈ পৰিস্কাৰ কৰি এক নিৰ্মল আনন্দ লাভ কৰি আহিছে। সেই আনন্দৰ কথা বোধকৰো গ্ৰীণ ক্লাৱৰ সদস্যসকলৰ বাহিৰে আনে অনুভৱ কৰিব নোৱাৰে। এই চেগতে গ্ৰীণ ক্লাৱৰ সদস্যসকলৰ নাম নল'লে বোধকৰো দোষে চুব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই নিজে পুৱা ৫ বজাতে মহাবিদ্যালয় চৌহদত আহি উপস্থিত হয়। তেওঁৰ স'তে জড়িত থকা আনসকল হ'ল — দেবাৰু ভূএগ্ৰা, ৰনজিৎ বৈৰাগী, অনুপম দত্ত, নিতুল দত্ত, কৃষ্ণকান্ত পাৰ, চন্দ্ৰ সন্দিকৈ, সঞ্জয় বৈশ্য, মনোজ শৰ্মা, দীপজ্যোতি ফুকন, চন্দেশ্বৰ দত্ত, হেমন্ত দাস, পূৰ্ণেশ্বৰ দাস, জ্যোতি চেতীয়া, পুতলী বৰা, খগেন ফুকন, বনজিৎ ডেকা, অনিল সিংহ, গৌতম চেতিয়া, ৰেল বিষয়া অনুপম মহন্ত, প্ৰাক্তন ছাত্ৰ দিলীপ সিং। গ্ৰীণ ক্লাৱৰ উদ্যোগত কানৈ মহাবিদ্যালয় চৌহদত না না তৰহৰ ফল-মূল, গছ-গছনি ৰোপন কৰাৰ লগতে এখন নেমুৰ বাগিছাও গঢ়ি তুলিছে। চৌহদৰ পুখুৰীত মাছ আৰু হাঁহ পালনৰ ব্যৱস্থাও গঢ়ি তুলিছে। কুকুৰা পালনৰ ব্যৱস্থাও কৰা হৈছে।

কানৈ মহাবিদ্যালয়ৰ বৃহৎ চৌহদত বিভিন্ন গছ, ফুল ৰোপন কৰি সেউজীয়াকৰণ কৰা আৰু স্বচ্ছতাৰ দিশটোক শক্তিশালী কৰাৰ উদ্দেশ্যে ২০১৫ চনত গঠন কৰা গ্ৰীণ ক্লাৱে বিগত সময়ছোৱাত মহাবিদ্যালয় চৌহদ উন্নীতকৰণ আৰু সৌন্দৰ্যবৰ্দ্ধনৰ হকে কাম কৰি আহিছে। এই সম্পৰ্কে 'ডি এইচ এছ কলেজ গ্ৰীণ কেম্পাছ' আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত 'Handbook on Plant Species Diversity of DHSK College' শীৰ্ষক দুখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। অসমৰ ইতিহাসত এনে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত নিশ্চিতভাবে কানৈ মহাবিদ্যালয়ে এক যুগজয়ী উদাহৰণ দাঙি ধৰিছে। মহাবিদ্যালয়খনৰ ইতিহাসত বোধকৰো স্বচ্ছতাৰ দিশত সন্মানীত হোৱা কানৈ মহাবিদ্যালয় এই সময়ছোৱাই প্ৰথম। মহাবিদ্যালয়খনত স্বচ্ছতাৰ দিশত এন চি চিৰ তৰফৰ পৰা ছুটী ছবি নিৰ্মাণ কৰি কেন্দ্ৰীয় চৰকাৰৰ স্বচ্ছতা আৰু খোৱা পানী বিভাগৰ তৰফৰ পৰা দেশৰ ভিতৰত দ্বিতীয় স্থান আজুৰি আনিবলৈ সক্ষম হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ এন চি চি কেডেটসকলক ধন্যবাদ জনাবই লাগিব। মহাবিদ্যালয়খনৰ এন চি চি কেডেটসকল হ'ল বাগিচা এখনৰ একো একো পাহ ফুলৰ দৰে। এন চি চিৰ কেডেটসকলে কঠোৰ পৰিশ্ৰম আৰু সাধনা কৰি সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ স্বচ্ছতাৰ দ্বিতীয় পুৰস্কাৰ লাভ কৰাটো কম সহজ কথা নহয়। এন চি চি কেডেটসকলৰ

লগতে অন্যান্য ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই অনাত যথেষ্ট কষ্ট স্বীকাৰ কৰি আহিছে। সেই কষ্ট আৰু পৰিশ্ৰমৰ অংশ হিচাপে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাই কানৈ মহাবিদ্যালয়ক শ্ৰেষ্ঠ শৃংখলাৰ সন্মান, ছাত্ৰ-ছাত্ৰীসকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত দুবাৰকৈ শ্ৰেষ্ঠ শৃংখলাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। দৰাচলতে এচাম প্ৰতিভাৱান আৰু দূৰদৰ্শী, কষ্টসহিষ্ণু ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নিখুট পৰিকল্পনাৰ বাবেই মহাবিদ্যালয়খনে এনে সন্মান লাভ কৰিবলৈ সক্ষম হৈছে।

গ্ৰীণ ক্লাবৰ সদস্যসকলৰ লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনক সেউজ কৰি ৰখা বিপ্লৱৰ অংশীদাৰ হৈ কাম কৰি আছে, সেইসকলৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা গঠন হোৱা ছ'ফেক নামৰ সংঘঠনটোৱেও গ্ৰীণ ক্লাবৰ কাম-কাজত সন্তুষ্টি লাভ কৰি সন্মান প্ৰদান কৰাটোৱেই মহাবিদ্যালয়খনৰ উত্তৰণত অভূতপূৰ্ব বৰঙণী যোগাবলৈ সক্ষম হৈছে। ইয়াৰোপৰি ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগটো কানৈ মহাবিদ্যালয়ক স্বচ্ছতাৰ ক্ষেত্ৰত সন্মান আৰু পুৰস্কৃত কৰি মহাবিদ্যালয়খনৰ পৰিবেশ সুস্থ কৰি ৰখাত অৰিহণা যোগাইছে। ডিব্ৰুগড় জিলা প্ৰশাসনক এই ক্ষেত্ৰত শলাগ ল'বই লাগিব। গ্ৰীণ ক্লাবৰ কৰ্মকৰ্তাসকলক উচ্চ শিক্ষা সঞ্চালক ড° ফনীন্দ্ৰ জিডুঙে নিজে আহি উৎসাহিত কৰা, কেইবাগৰাকীও মহকুমা, জিলা ন্যায়াধীশে উৎসাহিত কৰা আদি কামবোৰ বোধকৰো কানৈ মহাবিদ্যালয়ৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। কানৈ মহাবিদ্যালয়ৰ চৌহদত সেউজ তথা পৰিবেশ বিপ্লৱ গঢ়ি তোলাৰ ক্ষেত্ৰত গ্ৰীণ ক্লাবে নিৰবে কাম কৰি আছে। ক্লাবৰ এই মহান প্ৰচেষ্টাত সহযোগ আগবঢ়াই আহিছে কানৈ মহাবিদ্যালয়ৰ ডি চি ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আবাসীসকলে। পুৱা পাঁচ বজাৰ পৰাই গ্ৰীণ ক্লাবৰ সদস্যৰ স'তে মহাবিদ্যালয়খনৰ দুয়োটা আবাসৰ আবাসীসকলে অতি শ্ৰদ্ধাৰে মহাবিদ্যালয়খনৰ চৌহদ পৰিস্কাৰ কৰাত অৰিহণা যোগাই আহিছে। এনে পৰিবেশ আৰু সহায় অবিহনে হয়তো কানৈ মহাবিদ্যালয়ে গ্ৰীণ বিপ্লৱৰ কেতিয়াও জয়যাত্ৰা অক্ষুন্ন ৰাখিবলৈ সক্ষম নহ'লহেতেন। কানৈ মহাবিদ্যালয়ৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ দিশটোক এতিয়া সকলোৱে প্ৰশংসা কৰিবলৈ লৈছে আৰু ইয়াৰ সুগন্ধ দেশৰ ভিতৰতে আবদ্ধ নহৈ সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তত বিয়পি পৰিছে। বিশ্বৰ প্ৰান্তে প্ৰান্তে এনে যশস্যা বিয়পি পৰাৰ মূল সঞ্জীৱনী শক্তিয়ে হ'ল গ্ৰীণ ক্লাব।

কানৈৰ গ্ৰীণ ক্লাব আৰু ছাত্ৰাবাস, ছাত্ৰীনিবাসৰ সদস্যসকলৰ চৌহদ পৰিস্কাৰ কৰাৰ ক্ষেত্ৰত কোনো দিনেই বন্ধ, বিহু, পূজা, ক'ৰণা, লকডাউন, গৰম, ঠাণ্ডা, ৰ'দ-বৰষুণ আদিত তেওঁলোকৰ কাৰ্যসূচী স্তব্ধ হোৱাৰ উদাহৰণ নাই। দেওবাৰেই হওঁক বা বন্ধ দিনেই হওঁক নতুবা উৎসৱ-পাৰ্বন কিম্বা অন্যান্য বন্ধই হওঁক, সকলোকে একাষৰীয়াকৈ থৈ গ্ৰীণ ক্লাবৰ সদস্যসকলে পুৱা পাঁচ বজাতে মহাবিদ্যালয় চৌহদত আহি উপস্থিত হয়হি আৰু দৈনিক কৰিবলগীয়া কামসমূহ সম্পন্ন কৰে। কানৈ মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাবৰ নীতি হ'ল— 'No Sunday, no Holiday, no Summer, no Winter, no December, no January, no Hot no Cool, no Rain, no Corona.' কোনেও কাৰো প্ৰতি আক্ষেপ নাই, খং ৰাগ, ক্ষোভ, বিতৃষ্ণা নাই। কেৱল পুৱা হ'লেই সকলোৱে লাগি যায় মহাবিদ্যালয়খনৰ চৌহদ পৰিস্কাৰ কৰাত। গ্ৰীণ ক্লাবৰ সদস্যসকলে অবিৰাম এনে কৰ্ম কৰি ৩০০০ দিন অতিক্ৰম কৰিছে। বোধকৰো সমগ্ৰ ভাৰতবৰ্ষ বা পৃথিৱীত এনে আদৰ্শৰে কাম কৰাৰ উদাহৰণ নাই। এনে মহান আৰু পৱিত্ৰ কৰ্মৰ বাবেই কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো এক সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি হৈছে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজত চাফ-চিকুণৰ প্ৰতি ব্যাপক সজাগতাৰ সৃষ্টি হোৱাৰ ফলত কানৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাঠ্যক্ৰমৰ উপৰিও জীৱনৰ বাবে প্ৰয়োজন হোৱা অন্যান্য প্ৰয়োজনীয় শিক্ষাৰ বিষয়েও অৱগত হৈছে। জীৱনত কেৱল পাঠ্যক্ৰমৰ শিক্ষাই মানুহক মানুহ হিচাপে গঢ়ি তুলিব নোৱাৰে। মানুহক মানুহ হিচাপে গঢ়ি তুলিবলৈ হ'লে পাঠ্যক্ৰমৰ শিক্ষাৰ উপৰিও জীৱনৰ বাবে প্ৰয়োজন হোৱা অন্যান্য প্ৰয়োজনীয় শিক্ষাৰ প্ৰয়োজন। যি শিক্ষাই মানুহক মানুহ হিচাপে গঢ়ি তুলিব পাৰে। মহাবিদ্যালয়খনলৈ অহা ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ শিক্ষাৰ বাহিৰেও স্বচ্ছতা, স্বাস্থ্য, বিজ্ঞান, পৰিৱেশ আদিৰ শিক্ষাও সমানে লাভ কৰাটো এখন মহাবিদ্যালয়ৰ বাবে অতি প্ৰয়োজনীয় কথা। বছৰি তিনি হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে এনে সু-শিক্ষা লৈ দেশৰ বিভিন্ন প্ৰান্তত জ্ঞানৰ বন্তি উজ্জ্বলাই তুলিছে। মহাবিদ্যালয়খনৰ স্বচ্ছতাৰ দিশটোৰ প্ৰতি মনোনিৱেশ কৰি সজাগ আৰু সচেতন হৈ পৰা একাংশ ছাত্ৰ-ছাত্ৰীয়ে স্বচ্ছতাৰ বিপ্লৱত নিজে সংযুক্ত হৈ পৰা আৰু বিভিন্ন সামাজিক মাধ্যমত সেই বিষয়ে প্ৰচাৰ কৰাত আগভাগ লোৱাৰ পৰাই অনুমান কৰিব পাৰি কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে স্বচ্ছতাৰ দিশটোক ইতিবাচক দিশত গ্ৰহণ কৰিছে। অধ্যক্ষ ড° **শশীকান্ত শইকীয়াৰ এনে ইতিবাচক কৰ্মৰ স্বীকৃতি স্বৰূপে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে 'কৰ্মসূৰ্য' উপাধি প্ৰদান কৰি উৎসাহিত কৰিছে।** দেশৰ ভিতৰে-বাহিৰে সত্তৰটাৰো অধিক সংগঠনে সন্মান, বঁটা, সম্বৰ্ধনা জ্ঞাপন কৰিছে।

কানৈ মহাবিদ্যালয়ে পাঁচখন গাঁও ক্ৰমে লাহোৱাল বেবেজিয়া গাঁও, টেঙাখাট বৰবাম বৰবাৰী গাঁও, চৰাইহাবী মিছিং গাঁও, বৰবিল চাউলখোৱা মিছিং গাঁও, বগীবিল নেপালী গাঁও আৰু মহাবিদ্যালয়ৰ এন এচ এচ গোটে হিলৈধাৰী চান্দৈপথাৰ গাঁৱক 'Adopted Village' হিচাপে লৈ গাঁওকেইখনৰ স্বচ্ছতাৰ দিশৰ লগতে পৰিৱেশ সেউজীয়াকৰণৰ দিশটোক অধিক গুৰুত্ব প্ৰদান কৰি কাম কৰি আহিছে। ইতিমধ্যে এন এচ এচৰ উদ্যোগত হিলৈধাৰী চান্দৈপথাৰ গাঁৱত তিনিশৰো অধিক বৃক্ষ ৰোপন কৰি সেউজ গাঁৱলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা চলাইছে। গ্ৰীণ ক্লাবৰ নিৰৱ পৰিবেশ আন্দোলনৰ সমান্তৰালভাৱে কানৈ মহাবিদ্যালয়ত থকা পৰিৱেশ কোষ, ইক' ক্লাব, যোগ ক্লাব আদিয়েও মহাবিদ্যালয়খনৰ চৌহদৰ লগতে মহাবিদ্যালয়খনৰ বাহিৰত পৰিৱেশ সেউজীয়া কৰা, প্ৰদূষণ মুক্ত কৰা, চাফ-চিকুণৰ দিশত যথেষ্ট জনসজাগতাৰ সৃষ্টি কৰিছে। মহাবিদ্যালয়খনৰ পৰিৱেশ কোষ, ইক' ক্লাব আৰু যোগ ক্লাবৰ উদ্যোগত সমগ্ৰ অসমতে পৰিৱেশ আন্দোলনটোক আৰু অধিক গতিশীল, শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। **'অৰ্কিড মেন অব আসাম' ৰূপে খ্যাতি অৰ্জা খ্যাণজিৎ গগৈক গ্ৰীণ ক্লাবৰ তৰফৰ পৰা 'ডিব্ৰেশ্বৰ চলিহা স্মাৰক গ্ৰীণ ক্লাব বঁটা'** প্ৰদান কৰা হয়। মহাবিদ্যালয়ত অৰ্কিড সংৰক্ষণৰ বাবে অৰ্কিড ছ'চাইটি অব ইষ্টাৰ্ণ হিমালয়াৰ লগত বুজাবুজি চুক্তি কৰা হৈছে।

আহক, আমি সকলোৱে মিলি কানৈ মহাবিদ্যালয়ৰ চৌহদৰ পৰা আৰম্ভ হোৱা সেউজ পৰিৱেশ, প্ৰকৃতি সুৰক্ষা, প্ৰকৃতিক ভালপোৱা দৰে অনন্য বিপ্লৱক দেশ-বিদেশৰ বিভিন্ন প্ৰান্তলৈ বিয়পোৱাৰ চেষ্টা কৰোঁ।

(ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাবৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত)